




# দিছপুৰ মহাবিদ্যালয়ত ৰঙালী বিহু উদ্‌যাপন

গুৱাহাটী, ১০ এপ্ৰিল ঃ দুৱাৰডলিত অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহু। এই ৰঙালীৰ ৰং-ৰহইচৰ মাজতে দিছপুৰ মহাবিদ্যালয়ৰ আজি শিক্ষক গোটৰ উদ্যোগত ৰঙালী বিহু উদ্‌যাপন কৰা হয়। সমূহ শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত পৰম্পৰাগতভাৱে একত্ৰিত হৈ বিহু উদ্‌যাপন কৰি সমন্বয়ৰ বাৰ্তা অধিক ত্বৰান্বিত কৰা হয়। একেলগে সকলোৱে মিলি হুঁচৰি তথা বিহু নাচ প্ৰদৰ্শন কৰে। কৰ্মব্যস্ততাৰ মাজতে মহানগৰীত দিছপুৰ মহাবিদ্যালয়ৰ শিক্ষকবৃন্দই উদ্‌যাপন কৰা এই বিহুৱে বিশেষভাৱে পৰম্পৰা তথা সংস্কৃতিৰ প্ৰতি দায়িত্ববোধ বাৰ্তা বহন কৰিছে। দিছপুৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সম্পাদক অজিৎ প্ৰসাদ শৰ্মাৰ নেতৃত্বত আয়োজিত এই বিহু উদ্‌যাপনৰ শেষত সকলোৱে মিলি পৰম্পৰাগত জলপান গ্ৰহণ কৰে। এই অনুষ্ঠানত জ্যেষ্ঠ অধ্যাপিকা ড° প্ৰণীতা শৰ্মাই আঁত ধৰা বিহু গীতেৰে অনুষ্ঠানৰ হয়।

